## বনৰীয়া হাতীৰ আক্ৰমণত দুজনৰ মৃত্যু

**প্ৰতিদিন বিশেষ সেৱা, ৰঙাপৰা, ২৭ মে' ঃ** ৰঙাপৰাত আজি বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণী অনুসৰি ৰঙাপৰা থানাৰ অন্তৰ্গত তাৰাজুলি চাহ বাগিচাত নিশা প্ৰায় ১২.৩০ বজাত সোণাই-ৰূপাই অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এজাক বনৰীয়া হাতীয়ে ২নং শ্ৰমিক লাইনত প্ৰৱেশ কৰে। বনৰীয়া হাতীয়ে লক্ষণ প্ৰজা (৩৫)ৰ ঘৰৰ চাৰিসীমাৰ বাঁহৰ বেৰ ভাঙি প্ৰৱেশ কৰা বুলি জানিব পাৰি ব্যক্তিজন ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই অহাৰ সময়তে এটা হাতীয়ে আক্ৰমণ কৰাত ব্যক্তিজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। প্ৰজাক স্থানীয় ৰাইজে প্ৰাথমিক চিকিৎসাৰ বাবে ৰঙাপৰা ক্ষুদ্ৰ স্বাস্থ্যকেন্দ্ৰলৈ আনে যদিও চিকিৎসাৰ পূৰ্বে তেওঁ মৃত্যুক সাবটি লয়।

■ **বালিপৰাৰ প্ৰতিদিন সেৱা ঃ** শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঢাৰিকাটি গাঁৱত যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ থিতাতে মৃত্যু হয়। জানিব পৰামতে কালি নিশা প্ৰায় ১০ বজাত ঢাৰিকাটি গাঁৱৰ এতোৱা গুৰীয়া (৬৫) নামৰ লোকজন বজাৰৰ পৰা গৃহাভিমুখে গৈ থকা অৱস্থাত এটা বনৰীয়া হাতীৰ মুখামুখি হোৱাত এতোৱাই চিঞৰি পলাবলৈ চেষ্টা কৰাৰ সময়তে হাতীটোৱে শুঁৰেৰে মেৰিয়াই লোকজনক গচকি ধৰাত লোকজনৰ থিতাতে মৃত্যু হয়। পাচত বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

### মুকালমুৱাত বিহগী মিডিয়া গ্ৰুপৰ বৰ্ণিল অনুষ্ঠান

## ২৭ গৰাকী ব্যক্তিক ৰামধেনু বঁটা প্ৰদান

**প্ৰতিদিন সংবাদ, নলবাৰী, ২৭ মে' ঃ** বিহগী মিডিয়া গ্ৰুপ, অসমৰ সপ্তম বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠান আজি নলবাৰী জিলাৰ মুকালমুৱাত অনুষ্ঠিত হয়। মুকালমুৱাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এই উপলক্ষে অনুষ্ঠিত এক বৰ্ণিল অনুষ্ঠানত সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ২৭ গৰাকী ব্যক্তিক বিহগী মিডিয়া গ্ৰুপে ৰামধেনু বঁটা প্ৰদান কৰে। গ্ৰুপৰ সঞ্চালক কনক কলিতাই আদৰণী ভাষণ দিয়াৰ পিচতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ মাজে মাজে এই বঁটাসমূহ প্ৰদান কৰে। 'বিস্ময়' আলোচনীৰ সম্পাদক শশী ফুকনক জীৱনজোৰা সাধনা বঁটা, নিউজ লাইভৰ সাংবাদিক ব্ৰজেন তালুকদাৰলৈ যুৱ সাংবাদিক বঁটা, ইতিহাস থিয়েটাৰলৈ শ্ৰেষ্ঠ নাট্যদলৰ বঁটা, ভাস্কৰজ্যোতি তালুকদাৰলৈ শ্ৰেষ্ঠ নাট্যকাৰ বঁটা, ভাৰত চন্দ্ৰ ডেকাক শিক্ষাৰত্ন বঁটা, জয়ন্ত শৰ্মালৈ শ্ৰেষ্ঠ চৰিত্ৰ অভিনেতা বঁটা, দীক্ষু শৰ্মালৈ উদীয়মান কণ্ঠশিল্পী বঁটা, স্বপন মদকক শ্ৰেষ্ঠ কৌতুক অভিনেতা বঁটা, বিপিন তালুকদাৰক সমাজৰত্ন বঁটা, ৰমেশ কুমাৰ হালৈক সাহিত্য সাধনা বঁটা, একে বঁটা সমীন্দ্ৰ নাথ মহন্তলৈও, ব্ৰজেন ৰাভালৈ সমাজৰত্ন বঁটা আগবঢ়োৱাৰ লগতে আৰু ভালেকেইগৰাকী ব্যক্তিক বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰামধেনু বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত জনপ্ৰিয় গায়ক দীক্ষুৱে দুটা গীত পৰিবেশন কৰে।



■ গড়কাপ্তানি বিভাগৰ চৰম হেমাহিত মৰণফান্দত পৰিণত হোৱা নলবাৰী ছহিদ মুকুন্দ কাকতী অসামৰিক চিকিৎসালয়লৈ যোৱা পথছোৱা। ফটো ঃ প্ৰতিদিন সেৱা, বাঁহজানী

### স্বাস্থ্য বিভাগত নিযুক্তি কেলেংকাৰী

## মুছলপুৰৰ বঞ্চিত প্ৰাৰ্থীৰ আবেদন প্ৰধানমন্ত্ৰী কাৰ্যালয়ে দিলে তদন্তৰ নিৰ্দেশ

**প্ৰতিদিন সেৱা, মুছলপুৰ, ২৭ মে' ঃ** ৰাজ্য চৰকাৰৰ গুৰুত্বহীনতাৰ বিপৰীতে স্বাস্থ্য বিভাগৰ নিযুক্তিবঞ্চিত প্ৰাৰ্থীক সকাহ দিলে প্ৰধানমন্ত্ৰী কাৰ্যালয়ে। প্ৰধানমন্ত্ৰী কাৰ্যালয়ে দিলে স্বাস্থ্য বিভাগৰ নিযুক্তিৰ দুৰ্নীতিৰ তদন্তৰ নিৰ্দেশ। উল্লেখ্য যে জি এম চি এইচৰ অধীনৰ ২০০ বিছনাযুক্ত কৰ্কট হাস্পতালৰ এল ডি এ কাম কম্পিউটাৰ অপাৰেটৰ পদৰ বাবে দিয়া বিজ্ঞাপনমৰ্মে আবেদন কৰিছিল মুছলপুৰৰ লাফাকুছিৰ নিবনুৱা ভাৰত চন্দ্ৰ মেধিয়ে। বিজ্ঞাপনমৰ্মে জনজাতিৰ বাবে সংৰক্ষিত আছিল এটা পদ। আনহাতে জনজাতি প্ৰাৰ্থীৰ ভিতৰত লিখিত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল ভাৰত চন্দ্ৰ মেধিয়ে। সেই অনুসৰি জনজাতি সংৰক্ষিত পদত নিযুক্তি নিশ্চিত আছিল মেধিৰ। কিন্তু বিভাগীয় কৰ্তৃপক্ষই গোপন বুজাবুজিৰে মেধিতকৈ কম নম্বৰপ্ৰাপ্ত অন্য এজনক নিযুক্তি দিয়ে। এনে অৱস্থাত মেধিয়ে সমস্ত বিষয়টোৰ উচিত তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু স্বাস্থ্য মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাক আবেদন জনায় যদিও কোনো সঁহাৰি নাপালে। সেয়ে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ মেইলযোগে তথ্য প্ৰেৰণ কৰাৰ পাচত প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ পৰা সঁহাৰি পালে। কালি প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ পৰা ছেক্সন অফিচাৰ আলোক ছুমনৰ পৰা মেধিয়ে এখন পত্ৰ লাভ কৰে। পত্ৰখনত মেধিক জানিবলৈ দিয়া অনুসৰি অসম চৰকাৰৰ মুখ্য সচিবক সমস্ত নিযুক্তি প্ৰক্ৰিয়াটোৰ উচিত তদন্ত কৰি প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ অবিলম্বে তদন্তৰ প্ৰতিবেদন পঠাবলৈ নিৰ্দেশ দিয়ে।

### চেঁচা-ডিমু পথ পুনৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰাৰ দাবী ঃ মন্ত্ৰী-বিধায়িকাৰ প্ৰতিকৃতি দাহ

# পথ অৱৰোধেৰে উত্তাল প্ৰতিবাদ আছুৰ

**প্ৰতিদিন সেৱা, হাজো, ২৭ মে' ঃ** উত্তৰ কামৰূপ জিলাৰ ভিতৰত অতি ব্যস্ত আৰু গুৰুত্বপূৰ্ণ পথ হৈছে চেঁচা-বৰম্বৈ-ডিমু-ৰঙিয়া গড়কাপ্তানি পথ। এই পথছোৱা পুনৰ নিৰ্মাণৰ বাবে ২০১৬ চনৰ ছেপ্টেম্বৰ মাহত গড়কাপ্তানি মন্ত্ৰী পৰিমল শুক্লবৈদ্যই আধাৰশিলা স্থাপন কৰিছিল। লক্ষণীয়ভাৱে আধাৰশিলা স্থাপন কৰাৰ সাত মাহ উকলি যোৱাৰ পিচতো নিৰ্মাণকাৰ্য ৫০% আগ নবঢ়াত অঞ্চলবাসী, আছুকে ধৰি বিভিন্ন দল-সংগঠনে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। তাৰেই পৰিপ্ৰেক্ষিতত আজি পুৱা ১০ বজাৰ দমদমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত হাজো-গুৱাহাটী পথৰ কুলহাটী বজাৰ চ'কত পথ অৱৰোধ কৰিগ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে বিভিন্ন বেনাৰ, প্লেকাৰ্ড লৈ অসম চৰকাৰ হায় হায়, গড়কাপ্তানি মন্ত্ৰী শুক্লবৈদ্য হায় হায়, হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়া হায় হায়, পথছোৱা নিৰ্মাণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰক ব্লেকলিষ্টেড কৰক, আছু জিন্দাবাদ আদি ধ্বনিৰে ৰাজপথ উত্তাল কৰি তোলে। দিনৰ দহ বজাৰ পৰা এঘাৰ বজালৈ ৰূপায়ণ কৰা পথ অৱৰোধৰ সময়ছোৱাত সকলো যান-বাহন পথত আবদ্ধ হৈ পৰে। পিচত হাজোৰ চক্ৰ বিষয়া কমল বৰুৱা, উপ-আৰক্ষী অধীক্ষক মৃণ্ময় দাস আৰু হাজো থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাণজিৎ দাস উপস্থিত হৈ উক্ত পথছোৱাৰ পুনৰ নিৰ্মাণৰ কাম ক্ষিপ্ৰতৰ কৰাৰ আশ্বাস প্ৰদান কৰাত পথ অৱৰোধ প্ৰত্যাহাৰ কৰে। ইফালে অৱৰোধথলীত অনুষ্ঠিত পথসভাত সদৌ গুৱাহাটী মহকুমা আছুৰ সাধাৰণ সম্পাদক ৰুবুল চন্দ্ৰ দাসে কয়— ৰাজ্যিক পথ সংমণ্ডলৰ অধীনস্থ উক্ত পথছোৱাৰ নিৰ্মাণকাৰ্য ঠিকাদাৰে লেহেমীয়া গতিৰে কৰি থকাত ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলে যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভোগ কৰিবলগীয়া হৈছে। তদুপৰি ঠায়ে ঠায়ে পথৰ মাজত প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত গাড়ী-মটৰ চলাচলত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে।

■ **গড়কাপ্তানি মন্ত্ৰী-বিধায়িকাৰ প্ৰতিকৃতি দাহ ঃ** চেঁচা-ডিমু-ৰঙিয়া পথছোৱাৰ পুনৰ নিৰ্মাণৰ কাম লেহেমীয়া হোৱাৰ পিচতো মন্ত্ৰী পৰিমল শুক্লবৈদ্য আৰু বিধায়িকা সুমন হৰিপ্ৰিয়াই এইক্ষেত্ৰত গুৰুত্ব নিদিয়াৰ অভিযোগ তুলি আছুৰ নেতা-কৰ্মীসকলে দুয়োগৰাকী জনপ্ৰতিনিধিৰে প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত দমদমা আছুৰ সভাপতি বনমালী কলিতা আৰু সম্পাদক কমল ডেকা প্ৰমুখ্যে পাঁচ শতাধিক আছু নেতা-কৰ্মী আৰু ৰাইজ উপস্থিত থাকে।

### গৰৈমাৰীত ৰাজহুৱা সভাত অগপ কৰ্মীক পিষ্টলেৰে ভাবুকি

## আঠ কংগ্ৰেছীৰ বিৰুদ্ধে থানাত এজাহাৰ দাখিল

**প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ২৭ মে' ঃ** ছয়গাঁও থানাৰ অন্তৰ্গত গৰৈমাৰী উন্নয়ন খণ্ড কাৰ্যালয়ত কালি বিয়লি অনুষ্ঠিত এখন সজাগতামূলক সভাত অগপ কৰ্মী আৰু কংগ্ৰেছ কৰ্মীৰ মাজত সৃষ্টি হোৱা সংঘৰ্ষক লৈ আজি বিয়লি গৰৈমাৰী ব্লক অগপ সমন্বয়ৰক্ষী সমিতিয়ে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত সম্পাদক নুৰুল ইছলামে জানিবলৈ দিয়ামতে কালিৰ সভাখনত অগপ কৰ্মী ছাহাবুদ্দিন চৌধুৰীক কংগ্ৰেছ দলৰ আঠজনীয়া দল এটাই শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ লগতে নগদ ধনসহ এডাল সোণৰ চেইন কাঢ়ি নিয়ে। আনকি চাহাবুদ্দিন চৌধুৰীক দলটোৱে মূৰত পিষ্টল টোঁৱাই হত্যাৰো চেষ্টা চলায়। উল্লেখযোগ্য যে সম্পাদক নুৰুল ইছলামে গৰৈমাৰীৰ একাংশ কংগ্ৰেছ কৰ্মীয়ে ৰেকিবুদ্দিন আহমেদৰ ছত্ৰছায়াত থাকিয়েই নিৰ্বাচনৰ পিচত বিজেপিত যোগদান কৰি ক্ষমতাৰ অপব্যৱহাৰেৰে কংগ্ৰেছ দলৰ স্বাৰ্থ সিদ্ধি কৰি থকা বুলিও অভিযোগ উত্থাপন কৰে। উদাহৰণ হিচাপে কালিৰ সভাত উন্নয়ন খণ্ডটোত সংঘটিত ৫৭ কোটিৰ কেলেংকাৰী বিধায়ক ৰেকিবুদ্দিন আহমেদৰ ছত্ৰছায়াতে হোৱা বুলি কোৱাৰ লগে লগে কংগ্ৰেছৰ দলটোৱে আক্ৰমণ চলোৱা বুলিও তেওঁ কয়। এই ঘটনা সন্দৰ্ভত চাহাবুদ্দিন চৌধুৰীয়ে গৰৈমাৰী ব্লক কংগ্ৰেছৰ সভাপতি ছামচুল হক, পূব ছমৰীয়া জিলা পৰিষদৰ সদস্য আমিৰ চান আলী, সুমদ আলী বেপাৰী, ছয়গাঁও সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি আব্দুৰ ৰেজ্জাক, বিল্লাল হোছেইন, মহিবুল হক, আব্দুল ছাত্তাৰ আৰু নুৰুল ইছলামৰ বিৰুদ্ধে গৰৈমাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে।

## নগাঁৱৰ বামুণীত ভ্ৰূণ হত্যাৰ অভিযোগত এজনক আটক

**প্ৰতিদিন সেৱা, পুৰণিগুদাম, ২৭ মে' ঃ** ডাইনী সজাই দুগৰাকীকৈ নিৰীহ মহিলাক জীৱন্তে নাদত পুতি হত্যা কৰাৰ ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই নগাঁও জিলাৰ বামুণীত পুনৰ সংঘটিত হৈছে এক জঘন্য কাণ্ড। টেবলেট খুৱাই ভ্ৰূণ হত্যাৰ অভিযোগ উত্থাপন হৈছে শান্তনু মুড়া নামৰ এজন লোকৰ বিৰুদ্ধে। বামুণীৰ ধনতোলা চাহ বাগিচাৰ এগৰাকী বিধৱা মহিলাৰ সৈতে দীৰ্ঘদিন ধৰি লোকজনে অবৈধ সম্পৰ্ক ৰখাৰ কথা পোহৰলৈ আহিছে। জানিব পৰামতে যোৱা নিশা নিজৰ ঘৰতে বিধৱা মহিলাগৰাকীয়ে এটি ছমহীয়া মৃত সন্তান জন্ম দিয়াৰ পিচতে স্থানীয় ৰাইজে এই অনৈতিক কাৰ্যক কেন্দ্ৰ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। মহিলাগৰাকীৰ অভিযোগৰ ভিত্তিত নিশাই পুৰণিগুদাম আৰক্ষীয়ে অভিযান চলাই ধনতোলাৰ পৰা অভিযুক্ত শান্তনু মুড়াক আটক কৰে। ইফালে আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰাৰ লগতে মহিলাগৰাকীক উন্নত চিকিৎসাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।




■ চেঁচা-ডিমু পথ পুনৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰাৰ দাবীত পথ অৱৰোধ ছাত্ৰ সন্থাৰ, দমদমাত শনিবাৰে। ফটো ঃ প্ৰতিদিন সেৱা, ডিমু

### মাজবাটত যুৱকক হত্যা

## পাঁচ অভিযুক্তক আটক

**প্ৰতিদিন সেৱা, মাজবাট, ২৭ মে' ঃ** মাজবাট আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি যোৱা ২৩ মে'ত মাজবাট চাহ বাগিচাত সংঘটিত এক হত্যাকাণ্ডৰ লগত জড়িত পাঁচজন যুৱকক আজি আটক কৰে। জানিব পৰামতে উক্ত দিনা বাগিচাখনৰ অজয় গৌড় (২২) নামৰ যুৱক এজনৰ লগত বাগিচাখনৰে ঠাকুৰ খালখো (৪৫), অজয় নাগ (১৯), ৰোহিত নাগ (২৩), চুকন কেন্দুলোনা (২০) আৰু অজয় বড়ো সন্ধিয়া প্ৰায় সাত বজাত মাৰপিটত লিপ্ত হয়। এই মাৰপিটত অজয় গৌড় গুৰুতৰভাৱে আহত হয়। ঘটনা সংঘটিত হোৱাৰ পিচদিনা আহত অজয় গৌড়ৰ পৰিয়ালে ফাৰ্মাচীৰ পৰা ঔষধ আনি খুৱায় যদিও দুদিন পিচতে যুৱকজনৰ নিশা প্ৰায় ১২ বজাত মৃত্যু হয়। পিচদিনা পুৱা স্থানীয় লোকে মৃতদেহটো শ্মশানত পুতি থয়। আজি অজয় গৌড়ৰ মৃতদেহটো আৰক্ষীয়ে গাঁতৰ পৰা উলিয়াই ওদালগুৰিলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠিওৱাৰ লগতে উক্ত পাঁচজন যুকক আটক কৰি মাজবাট থানাত ৩০/১৭ নম্বৰত এটা গোচৰ ৰুজু কৰে।

## ভূমি বিবাদক লৈ মাৰপিটত সাতজন আহত

**প্ৰতিদিন সেৱা, নগৰবেৰা, ২৭ মে' ঃ** বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ কাছুমাৰা থানাৰ অন্তৰ্গত মৈৰাদিয়াচৰ গাঁৱত আজি ভূমি বিবাদক কেন্দ্ৰ কৰি দুই ভাতৃৰ মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। জানিব পৰামতে মৈৰাদিয়াচৰ গাঁৱৰ হানিফ আলী আৰু তেওঁৰ ভাতৃ বানেজ আলীৰ মাজত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘটিত মাৰপিটত দুই পক্ষৰ ক্ৰমে বানেজ আলী, হানিফ আলী, ছানিদুল, মোস্তফা আলী আৰু ফজৰ আলীসহ সাতজনকৈ লোক আহত হয়। আহতসকল ইতিমধ্যে কামৰূপ জিলাৰ সোণতলী প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰা হয়।

### হিন্দু ব্লক গাঁও পঞ্চায়তৰ সভাপতিৰ গুণ্ডাগিৰি

## গাড়ীৰে মহটিয়াই হত্যাৰ চেষ্টা আৰ টি আই কৰ্মীক

**প্ৰতিদিন বিশেষ সেৱা, ডবকা, ২৭ মে' ঃ** হিন্দী চিনেমাৰ কায়দাৰে এজন পঞ্চায়ত প্ৰতিনিধিয়ে তেওঁৰ বিৰুদ্ধে আৰ টি আই কৰা এজন আৰ টি আই কৰ্মীক নিজৰ গাড়ীৰে হত্যাৰচেষ্টা কৰা এক ভয়ানক অভিযোগে হোজাই জিলাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোগীজান উন্নয়ন খণ্ডৰ অন্তৰ্গত হিন্দু ব্লক গাঁও পঞ্চায়তৰ বহু দুৰ্নীতিগ্ৰস্ত সভাপতি চাহাব উদ্দিনে কালি আৰ টি আই কৰ্মী জেহিৰুল ইছলামক তেওঁ ব্যৱহাৰ কৰা এ এছ-০১ এ বি-০৬০৫ নম্বৰৰ ৱাগনআৰ গাড়ীখনেৰে মহটিয়াই নি হত্যাৰ চেষ্টা কৰে বুলি ডবকা থানাত জেহিৰুল ইছলামে গোচৰ তৰিছে। আৰ টি আই কৰ্মীজনে বাইক লৈ ডবকাৰ পৰা নীলবাগান অভিমুখে গৈ থাকোতে ডবকা নাহাৰগাঁৱত সংঘটিত হৈছিল এই ঘটনা। ভাগ্যক্ৰমে এই ঘটনাত আৰ টি আই কৰ্মীজনৰ প্ৰাণৰক্ষা পৰে যদিও গুৰুতৰভাৱে আহত হোৱাত তেওঁ চিকিৎসাধীন হ'বলগীয়া হয়। ইফালে এই ঘটনা সংঘটিত কৰিয়ে হিন্দু ব্লক গাঁও পঞ্চায়তৰ সভাপতি চাহাব উদ্দিনে পলায়ন কৰে যদিও পিচত ডবকা আৰক্ষীয়ে তেওঁৰ ঘৰৰ পৰা বাহনখন জব্দ কৰে। চাহাব উদ্দিনক বৰ্তমানে আৰক্ষীয়ে বিচাৰি আছে যদিও তেওঁ পলাতক বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোগীজানৰ হিন্দু ব্লক গাঁও পঞ্চায়তত সংঘটিত হৈছে কোটি কোটি টকাৰ দুৰ্নীতি। ভুৱা আঁচনি ৰূপায়ণ কৰা দেখুৱাই সভাপতি চাহাব উদ্দিনে লুণ্ঠন কৰা দুৰ্নীতিৰ তথ্য পঞ্চায়তখনৰে জেহিৰুল ইছলাম নামৰ আৰ টি আই কৰ্মীজনে ফাদিল কৰাৰ পিচত স্থানীয় ৰাইজে চাহাব উদ্দিনৰ বিৰুদ্ধে কেইবাটাও গোচৰ ৰুজু কৰিছিল। ইয়াৰ বাবে চাহাব উদ্দিনে আক্ৰোশমূলকভাৱে জেহিৰুল ইছলামক কালি হত্যাৰচেষ্টা কৰে বুলি ডবকা থানাত জেহিৰুলে এটা গোচৰ দাখিল কৰিছে। ডবকা আৰক্ষীয়ে ১২০/১৭ নং গোচৰটো পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰিছে। ইফালে চাহাব উদ্দিনৰ দুৰ্নীতি উদঙাই সম্প্ৰতি প্ৰাণৰ নিৰাপত্তাত ভুগিছে আৰ টি আই কৰ্মীজন। আনহাতে পঞ্চায়ত প্ৰতিনিধিজনে সমগ্ৰ ঘটনা অস্বীকাৰ কৰাৰ উপৰি তেওঁ মাত্ৰ ষড়যন্ত্ৰৰ বলি হোৱা বুলি জানিবলৈ দিয়ে। আৰক্ষীৰ প্ৰকৃত তদন্ততহে সমগ্ৰ বিষয়টো পোহৰলৈ আহিব।

## ৰে'লৰ পৰা পৰি যুৱকৰ মৃত্যু

**প্ৰতিদিন সেৱা, যমুনামুখ, ২৭ মে' ঃ** হোজাই জিলাৰ যমুনামুখ-যোগীজান সংযোগী ষ্টেচনৰ মাজৰ চিকামাৰী গাঁৱৰ সমীপত ৰে'লপথৰ দাঁতিত আজি পুৱা এজন অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰায় ৪০ বছৰীয়া যুৱকজনৰ পিন্ধনত হাফপেণ্ট আৰু দীঘল হাতৰ চেক শ্বাৰ্ট আছিল। নিশা উজনিমুৱা কোনো যাত্ৰীবাহী ৰে'লৰ পৰা পৰি যুৱকজনৰ মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। আজি পুৱা স্থানীয় ৰাইজে মৃতদেহ প্ৰত্যক্ষ কৰি ৰে'ল আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে মৃতদেহ চিনাক্তকৰণৰ বাবে চিকিৎসালয়ৰ মৰ্গত বিধি অনুযায়ী ৭২ ঘণ্টা ৰখাৰ ব্যৱস্থা কৰিছে।

## ৰে'লৰ খুন্দাত মেট্ৰিক পৰীক্ষাৰ্থীৰ মৃত্যু

**প্ৰতিদিন সংবাদ, নগাঁও, ২৭ মে' ঃ** নগাঁও চহৰত কালি নিশা যাত্ৰীবাহী ৰে'লৰ খুন্দাত এজন ছাত্ৰৰ কৰুণভাৱে মৃত্যু হয়। ছাত্ৰজন হৈছে নগাঁও চহৰৰ দাঁতিকাষৰীয়া ছোটহয়বৰৰ যশোদা নগৰৰ নৱৰাগ বৰা (১৭) ওৰফে ৰাজা। জানিব পৰামতে দুজন লগৰীয়াৰ সৈতে ৰে'ল লাইনৰ কাষেৰে আহি থকা অৱস্থাত নগাঁও চহৰৰ আমিনপট্টিৰ সমীপত গুৱাহাটীৰ পৰা শিলঘাট অভিমুখী যাত্ৰীবাহী ৰে'লখনৰ আগত ছাত্ৰজন পৰে আৰু ৰে'লৰ খুন্দাত ছাত্ৰজন আহত হয়। ঘটনাটো সংঘটিত হয় নিশা প্ৰায় ৭.৪৫ বজাত। আনহাতে গুৰুতৰভাৱে আহত ছাত্ৰজনক চিকিৎসালয়লৈ নিবৰ বাবে ঘটনাস্থলীত উপস্থিত থকা একাংশ লোকে ১০৮ এম্বুলেন্স সেৱাক খবৰ দিয়ে যদিও এম্বুলেন্স গৈ ঘটনাস্থলীত উপস্থিত নহ'ল। পিচত একাংশ লোকে সংকটজনক অৱস্থাত আহত ছাত্ৰজনক এখন ঠেলাত তুলি নগাঁও অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও বাটতে তেওঁৰ মৃত্যু ঘটে। জানিব পৰামতে নৱৰাগ বৰা নামৰ ছাত্ৰজনে নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পৰা এইবাৰ মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

## অৱশেষত আমচাং জলাশয়ৰ পৰা পাৰলৈ উঠিল গজৰাজ



**প্ৰতিদিন বিশেষ সংবাদ, সোণাপুৰ, ২৭ মে' ঃ** আঘাতপ্ৰাপ্ত হৈ সোণাপুৰৰ আমচাং অভয়াৰণ্যৰ এটা জলাশয়ত বিগত কেইবাদিনো জলবন্দী হৈ থকা দঁতাল হাতীটো ক্ৰমান্বয়ে সুস্থ হৈ উঠিছে। আজি দুপৰীয়া জলাশয়ত আবদ্ধ হৈ হাতীটোৱে নিজে থিয় হৈ এখোজ এখোজকৈ পানীৰ পৰা উঠি অৰণ্যৰ দিশে খোজ দিয়ে। হাতীটোৱে সুস্থ অনুভৱ কৰি পানীৰ পৰা পাৰলৈ উঠাত বনকৰ্মী তথা প্ৰকৃতিপ্ৰেমী স্থানীয় ৰাইজৰ মুখত হাঁহি বিৰিঙিছে। উল্লেখ্য যে প্ৰথম অৱস্থাত যিটো জলাশয়ত অসুস্থ হৈ বন্যহস্তীটো পৰি আছিল বনকৰ্মীৰ পৰিচৰ্যা আৰু চিকিৎসকৰ চিকিৎসা প্ৰদানত সুস্থ হৈ প্ৰথম জলাশয়টোৰ পৰা ৫০০ মিটাৰমান আঁতৰৰ অন্য এটা জলাশয়ত অৱস্থান গ্ৰহণ কৰিছিল। সেই জলাশয়ৰ পনীত আবদ্ধ হৈ থকা হাতীটোক কাজিৰঙাৰ পৰা অনা দুটাকৈ ঘৰচীয়া হাতীৰ সহায়ত বনকৰ্মী আৰু পশু চিকিৎসকৰ দলে নিৰন্তৰ চিকিৎসা প্ৰদান কৰাৰ লগতে খাদ্যৰ যোগান ধৰি আহিছিল। আজিও বনকৰ্মীয়ে তদাৰক কৰি থকাৰ সময়তে বন্যহস্তীটোৱে লাহে লাহে পানীৰ পৰা উঠি অৰণ্যৰ দিশে গমন কৰে। ঠেঙত আঘাতপ্ৰাপ্ত গজৰাজ সম্পূৰ্ণ সুস্থ হৈ নুঠাত হাতীৰে বনকৰ্মী-চিকিৎসকৰ দলে ইনজেকচন তথা চিকিৎসাসেৱা প্ৰদান কৰে।

## হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী বৰষা দেৱীৰ বিয়োগ

**প্ৰতিদিন বিশেষ সেৱা, ঢেকীয়াজুলি, ২৭ মে' ঃ** ঢেকীয়াজুলি শংকৰদেৱ শিশু নিকেতনৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা বৰষা দেৱী নামৰ এগৰাকী ছাত্ৰীৰ যোৱা নিশা মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। নিউমোনিয়া ৰোগত আক্ৰান্ত হৈ যোৱা কেইদিনমান ধৰি গুৱাহাটীৰ জি এন আৰ চিত চিকিৎসাধীন হৈ থকা ছাত্ৰীগৰাকীয়ে যোৱা নিশা চিকিৎসালয়তে অকাল মৃত্যুক সাবটি লয়। ছাত্ৰীগৰাকীৰ মৃত্যুত ঢেকীয়াজুলি শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্যৰ লগতে আচাৰ্য-আচাৰ্যা আৰু ছাত্ৰ-ছাত্ৰীসকলে শোক প্ৰকাশ কৰে। বৰষাৰ মৃত্যুত ঢেকীয়াজুলিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

### কমলপুৰ প্ৰেছ ক্লাবত কাৰাগাৰৰ প্ৰতিভাৰ সন্ধান অনুষ্ঠান

## কাৰাগাৰতে কেইবাখনো গ্ৰন্থ লিখি উলিয়ালে কয়দী প্ৰদীপ কাকতীয়ে

**প্ৰতিদিন সেৱা, কমলপুৰ, ২৭ মে' ঃ** কমলপুৰ প্ৰেছ ক্লাবৰ উদ্যোগত আজি দুপৰীয়া কমলপুৰ জনপ্ৰিয় ক্লাবৰ সভাঘৰ প্ৰাংগণত কাৰাগাৰৰ প্ৰতিভাৰ সন্ধান নামৰ এক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কমলপুৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি ভৰতোষ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত তথা সম্পাদক দীপক দাসে আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে কয়দী প্ৰদীপ কাকতীয়ে (কুমাৰ বিপুল)। কমলপুৰ থানাৰ অন্তৰ্গত পুঠিমাৰী পাছপাৰাৰ যুৱক বৰ্তমান কাৰাগাৰৰ কয়দী কাকতীয়ে উদ্দেশ্য ব্যাখ্যাত ক্ষোভসহকাৰে কয় যে ভাৰতৰ দৰে এখন বিশাল গণতান্ত্ৰিক ৰাষ্ট্ৰত দুখন আইন থকা বুলি উল্লেখ কৰি এখন ক্ষমতাশালী বিত্তৱানৰ বাবে আৰু অন্য এখন দাৰিদ্ৰ্যপীড়িত সাধাৰণ জনতাৰ বাবে। উচ্চ শিক্ষা গ্ৰহণৰ সময়ছোৱাত ব্যৱসায়িক কাৰণত এটা হত্যাকাণ্ড গোচৰত সাঙোৰ খাই যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হোৱা কয়দীজনে পাহাৰৰ শিল ভাঙি উপাৰ্জন কৰা ধনেৰে নিজৰ গ্ৰন্থ প্ৰকাশ কৰি উলিওৱা বুলি অনুষ্ঠানটোত উল্লেখ কৰে। ইতিমধ্যে 'বসন্তৰ কুঁহিপাঠ', 'সপোনৰ সাগৰত', 'ৰাতিৰ ফুল', 'কাৰাগাৰৰ ডায়েৰী', 'কাৰাগাৰৰ মানুহ' ইত্যাদি গ্ৰন্থ কাৰাগাৰৰ ভিতৰতে লিখি প্ৰকাশ কৰি উলিওৱাৰ উপৰি ধৰ্মীয় গ্ৰন্থ 'জীৱনৰ পোহৰ দিওঁতা' (প্ৰকাশৰ পথত) আৰু অপ্ৰকাশিত 'অঘৰীৰ ঘৰ' (একাংকিকা নাট) 'মহাঅৰণ্যত ময়ূৰী' (পূৰ্ণাংগ নাট), 'আকাশৰ নক্ষত্ৰ সৰি পৰিল' (উপন্যাস) নামৰ গ্ৰন্থকেইখন কয়দীজনে অনুষ্ঠানটোত প্ৰদৰ্শন কৰি ৰাইজক জানিবলৈ দিয়ে। অনুষ্ঠানটোত চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন মজুমদাৰে ভাষণ প্ৰসংগত কাৰাগাৰৰ প্ৰাচীৰখনেও প্ৰদীপৰ প্ৰতিভাক বিকাশত হেঙাৰ হিচাপে থিয় দিব পৰা নাই বুলি উল্লেখ কৰি কয়দীজনে কলমেৰে বিচাৰি পাইছে মানৱ জীৱনৰ পৰিবৰ্তনৰ সংস্কাৰ আৰু উপলব্ধি বুলি কয়। আনহাতে কয়দীজনে কাৰাগাৰক শাস্তিগৃহ বুলি নাভাবি নিজে কৰা ভুলৰ সংস্কাৰ গৃহালয় বুলি ভাবি লৈ যিটো মহান কাম কৰি আহিছে সেইটো ভাৰতবৰ্ষৰ কাৰাগাৰৰ ভিতৰত থকা ব্যতিক্ৰমধৰ্মী কয়দী হিচাপে তেওঁ পৰিচিত হ'ব বুলি উল্লেখ কৰে। আনহাতে উক্ত অনুষ্ঠানটোত কমলপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ দণ্ডেশ্বৰ ডেকাই কয় যে কয়দী প্ৰদীপ কাকতীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যাত উল্লেখ কৰা কথা কিছুমানৰ আলোকপাত কৰি আইন সকলোৰে বাবে সমান হ'ব লাগে বুলি কৈ কাৰাগাৰসমূহ সংশোধন নহ'লে এনেধৰণৰ অভিযোগ সদায় থাকিব। অনুষ্ঠানটোত কয়দীজনৰ বৃদ্ধ মাতৃয়ে পুত্ৰক বন্দী জীৱনৰ পৰা মুক্তি দিবলৈ চৰকাৰক আহ্বান জনায়।

### হাজোৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আছুৰ নাগৰিক সভা

# জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হ'বলৈ চৰকাৰ-জনপ্ৰতিনিধিক আহ্বান

**প্ৰতিদিন সেৱা, ডিমু-হাজো, ২৭ মে' ঃ** গ্ৰামাঞ্চলৰ হোজা লোকসকলক মিছা প্ৰতিশ্ৰুতিৰে আভুৱা ভাঁৰি দিছপুৰ গমন কৰা জনপ্ৰতিনিধিসকলৰ অৱহেলা আৰু জনসাধাৰণৰ প্ৰতি থকা দায়িত্ব পালন নকৰা বাবেই হাজো বিধানসভা সমষ্টিৰ ৰাইজে স্বাধীনতাৰ সত্তৰ বছৰৰ পিচতো উন্নয়নৰ মুখ দেখা নাই। হাজো বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা হাজোৰ সুসন্তান লৌহমানৱ বিষ্ণুৰাম মেধিয়ে স্থাপন কৰা হাজোৰ উন্নয়নৰ ভেটি সুদৃঢ় কৰাত পৰৱৰ্তী সময়ৰ জনপ্ৰতিনিধিসকল চূড়ান্তভাৱে ব্যৰ্থ হৈছে। এইসকল জনপ্ৰতিনিধিৰ দুৰ্বল নেতৃত্ব আৰু চৰকাৰৰ চৰম অনীহাৰ ফলত পঞ্চতীৰ্থ হিচাপে পৰিচিত হাজোৰ সৰ্বাংগীণ উন্নয়ন সম্ভৱ হৈ উঠা নাই। গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা হাজোৰ সৰ্বত্ৰ অনগ্ৰসৰ হৈ ৰোৱাৰ মূলতে চৰকাৰ আৰু জনপ্ৰতিনিধি বুলি অভিহিত কৰে সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক প্ৰকাশ চন্দ্ৰ দাসে। হাজোৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত হাজো আঞ্চলিক ছাত্ৰ সন্থাই আজি হাজোৰ বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা প্ৰতিবাদী নাগৰিক সভা উদ্বোধন কৰি ছাত্ৰ নেতাগৰাকীয়ে এইদৰে কয়। হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাসে সভাপতিত্ব কৰা নাগৰিক সভাত হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা আছুৰ কেন্দ্ৰীয় তথ্য সম্পাদকগৰাকীয়ে আৰু কয় যে পঞ্চতীৰ্থ পুণ্যভূমি হাজোৰ তীৰ্থস্থানসমূহ দৰ্শন কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দেশ-বিদেশৰ পৰ্যটকৰ আগমন ঘটাৰ পিচতো হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ লগতে অন্যান্য তীৰ্থস্থানসমূহৰ উন্নয়নত ৰাজ্যখনৰ প্ৰতিখন চৰকাৰে অনীহা প্ৰকাশ কৰি আহিছে। মাধৱ মন্দিৰত থকা ঐতিহাসিক বিষ্ণুপুষ্কৰ পুখুৰীৰ মাছ-কাছসমূহ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰিব নোৱৰাত সঘনাই মৃত্যুমুখত পৰিছে তীৰ্থযাত্ৰীসকলে দৈৱজ্ঞ জ্ঞান কৰা মাছ-কাছসমূহ। হাজোৰ পোৱামক্কা দৰ্গাহ শ্বৰীফ আৰু পঞ্চতীৰ্থসমূহৰ লগতে বিষ্ণুপুষ্কৰ মন্দিৰৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে চৰকাৰসমূহে ধন দিয়াত ব্যৰ্থ হোৱাৰ ফলত আন দৃষ্টিকোণেৰে চোৱা দৰ্শনাৰ্থীসকলে হাজোলৈ আহি আন এটা ৰূপহে প্ৰত্যক্ষ কৰে। পিতল শিল্পৰ ক্ষেত্ৰত সুকীয়া স্থান দখল কৰা হাজোৰ ঐতিহাসিক সমলসমূহ সংৰক্ষণ কৰাৰ লগতে হিন্দু-মুছলমান আৰু বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ মহামিলনৰ পীঠস্থান হাজোক দেশৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ মানচিত্ৰত জিলিকাই ৰখাৰ পূৰ্ণ সুবিধা থকাৰ পিচতো একমাত্ৰ চৰকাৰ আৰু জনপ্ৰতিনিধিসকলৰ অৱহেলাৰ বাবে সেয়া সম্ভৱ হৈ উঠা নাই বুলি ছাত্ৰনেতাগৰাকীয়ে অভিযোগ কৰে। হাজোক পূৰ্ণ পৰ্যায়ৰ পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ লগতে হাজোৰ যাতায়াত, শিক্ষা, স্বাস্থ্য, পানীযোগান, বিদ্যুৎ সেৱা, গৰাখহনীয়া আদি সমস্যাসমূহ সমাধানৰ দাবীত ছাত্ৰ সন্থাই তীব্ৰ আন্দোলন নকৰিলে হাজোবাসীৰ গত্যন্তৰ নাই বুলি তেওঁ কয়। উল্লেখযোগ্য যে হাজো আঞ্চলিক ছাত্ৰ সন্থাই অনুষ্ঠিত কৰা প্ৰতিবাদী নাগৰিক সভাত হাজোৰ বিভিন্ন সামাজিক সংগঠন আৰু সমাজহিতৈষী ব্যক্তিসকলে অংশগ্ৰহণ কৰি ছাত্ৰ সন্থাৰ সিদ্ধান্তক সমৰ্থন জনায়। সভাৰ অন্তত নাগৰিক সভাই হাজোৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চৰকাৰক দাবী জনোৱাৰ লগতে এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তপন দাসে আঁত ধৰা সভাত সন্থাৰ উপদেষ্টা কল্যাণ মালাকাৰ, ইমদাদুৰ ৰহমান, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দিবাকৰ কলিতা, প্ৰাক্তন সহকাৰী সম্পাদক তফজুল হুছেইন, সদৌ গুৱাহাটী মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুবুল দাস আদিয়ে অংশগ্ৰহণ কৰে।